# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 01-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২ খন জিলাৰ ৫৬ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। গোৱালপাৰা, লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সৈতে  ফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও অৱগত কৰে।

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি অনুসৰি পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছুৰ ১৫ খন গাঁও প্লাবিত হৈছে। জিলাখনৰ ১০০ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাঁচখনকৈ শ্লুইছ গে'ট খুলি দিয়াৰ ফলত নামনি অঞ্চলত বানৰ সৃষ্টি হৈছে। বৈঠালাংছু আৰু বৰছালি সংযোগ পথৰ ওপৰেৰে পানী বাগৰি ১০ খনকৈ গাঁৱেৰে সংযোগ বিচ্ছিন্ন হৈ পৰিছে। এই বানত খাৰুপিন্ধা, ইংহিন, বৰছালি, থাৰ্বেআবি, ৰংফেলান, উদমাৰীকে ধৰি ১৫ খনকৈ গাঁও প্লাবিত হৈছে।

অবিৰত বৰষুণৰ ফলত কাছাৰ জিলাৰ জনজীৱন কাৰ্যত স্তব্ধ হৈ পৰিছে। বৰাক নদীৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰাত বিভিন্ন অঞ্চল প্লাবিত হৈছে। জিলাখনৰ বৃহত্তৰ কাটিগড়া, উদৰবন্দৰ লগতে শিলচৰ চহৰৰ বহুকেইটা অঞ্চল জলমগ্ন হৈছে। শিলচৰ কুম্ভীৰগ্ৰাম বিমান বন্দৰলৈ যোৱা ভি আ পি ৰোডৰ ওপৰেৰে পানী বাগৰাৰ ফলত পথছোৱা বন্ধ হৈ পৰিছে। তাৰ পৰিপ্ৰেক্ষিতত উদাৰবন্ধ কালিবাৰী ৰোড হৈ বিমান বন্দৰলৈ যাবলৈ প্ৰশাসনে অনুৰোধ জনাইছে। প্ৰতিকূল বতৰ তথা বান পৰিস্থিতিৰ বাবে কাছাৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয় কাইলৈ আৰু পৰহিলৈ প্ৰশাসনে বন্ধ ঘোষণা কৰিছে।

তিনিচুকীয়া জিলাৰ অৰুণাচল সীমান্তৱৰ্তী নামনি দিবাং জিলাৰ বোমজিৰ নৈৰ বাঢ়নি পানীৰ মাজত আবদ্ধ হৈ পৰা ১৪ জন লোকক আজি হেলিকপ্টাৰৰ জৰিয়তে সুকলমে উদ্ধাৰ কৰা হয়।

লখিমপুৰ জিলা আয়ুক্তই জিলাখনৰ বান পীড়িত পোতাবিল, পাঁচনৈ আৰু কয়লামাৰি অঞ্চলৰ বান পৰিস্থিতি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে লগতে বান পীড়িতসকলক সাহায্য বিতৰণৰ বাবে স্থাপন কৰা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ব্যৱস্থাৰ বুজ লয়।

কালি বিয়লিৰে পৰা বৃদ্ধি হৈ থকা ব্ৰহ্মপুত্ৰৰ পানীয়ে আজি পুৱাই শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট ভাঙি নিয়ে। শ্লুইছ গে'টখন ভাগি যোৱাৰ ফলত কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকা প্লাবিত হৈ পৰিছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰী সেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা হৈছে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল কাইলৈ পাঁচদিনীয়া ভ্ৰমণসূচীৰে ন'ৰ'ৱে আৰু ডেনমাৰ্ক অভিমুখে ৰাওনা হ'ব। ন'ৰ'ৱেত শ্ৰী সোণোৱালে অছ্লোত নৰ ছিপিং বাণিজ্য মেলা আৰু সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত মহাসাগৰ সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাষণ দিব। জাপান আৰু ন'ৰ'ৱেৰ জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০

অসম অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰঞ্জন শৰ্মাই আজি ৰাজ্যিক নিৰ্বাচনী আয়ুক্ত হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি ৰাজভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শ্ৰীশৰ্মাক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। শ্ৰীশৰ্মাই ৬৫ বছৰ বয়স পৰ্যন্ত এই পদত কাৰ্যনিৰ্বাহ কৰিব পাৰিব। পূৰ্বৰ নিৰ্বাচনী আয়ুক্ত আলোক কুমাৰৰ কাৰ্যকাল কালি উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰীশৰ্মাক এই পদত নিযুক্তি দিয়া হয়।

০০০০

ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নেতৃত্বত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি জৰুৰীকালীন বান সাহায্য প্ৰদানক লৈ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মহানগৰত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ পৰিয়ালক চাৰি লাখ টকাকৈ সাহায্য প্ৰদানৰ লগতে গুৱাহাটীৰ কৃত্ৰিম বানত ক্ষতিগ্ৰস্ত সকলো লোককে সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰাৰ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত ভূমিস্খলনৰ ফলত মৃত্যু হোৱা ৫ গৰাকী লোকৰ পৰিয়ালে আজিৰ ভিতৰতে সাহায্য ধনৰাশিৰ চেক লাভ কৰিব বুলি প্ৰকাশ কৰে।

০০০০

ডিব্ৰুগড়ৰ ৰহমৰিয়াত আজি ব্ৰহ্মপুত্ৰৰ পানীত ৪ জনকৈ লোক সন্ধানহীন হৈ পৰিছে। ৰহমৰিয়া লাইনৰ অজয় ওৰাং, ৰঞ্জিত ওৰাং আৰু বৰুতি চুকৰ পিতিকৈ দাস নামৰ লোককেইজন ব্ৰহ্মপুত্ৰৰ মাজৰ পল'ভঙা চাপৰিত থকা গৰু খুঁটিলৈ যোৱাৰ সময়ত সন্ধানহীন হয়। লোক কেইজনক উদ্ধাৰৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে ব্ৰহ্মপুত্ৰৰ অভিযান চলায়।

ইপিনে, ডিব্ৰুগড়ৰ অকলেণ্ডৰ ১৭ নম্বৰ লাইনৰ তনুজ মুৰা নামৰ ৭ বছৰীয়া এটি শিশু ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন হৈছে।

০০০০

সমাপ্ত